**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

০০০০০

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জনসাধাৰণৰ স্বাস্থ্য অটুট ৰখাটো এটা সমূহীয়া দায়িত্ব বুলি মত প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইজৰাইল অভিমুখে ৰাওনা হ'ব।

৩। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে অহা ৩১ মাৰ্চৰ ভিতৰত কৃষকৰ কল্যাণৰ বাবে ৰাজ্যসমূহলৈ অনুমোদন জনোৱা পুঁজিৰ ১০০ শতাংশই ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

৪। ভাৰতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত তাৎক্ষণিক, সম্পূৰ্ণ আৰু নিঃচৰ্ত যুদ্ধবিৰতি সম্পৰ্কে এখন খচৰা প্ৰস্তাৱত ভোটদানৰ পৰা বিৰত থাকে। ***আৰু***

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত পাকিস্তানক পৰাজিত কৰি ইংলেণ্ডে প্ৰথমটো দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জনসাধাৰণৰ স্বাস্থ্য এটা সমূহীয়া দায়িত্ব বুলি উল্লেখ কৰাৰ লগতে সমাজৰ অতি দৰিদ্ৰজনেও যাতে সময়মতে উপযুক্ত স্বাস্থ্যসেৱা লাভ কৰিব পাৰে তাক ইয়াৰ সৈতে জড়িত প্ৰতিগৰাকী লোকে নিশ্চিত কৰিব লাগিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কালি মুম্বাইত পি ডি হিন্দুজা চিকিৎসালয়ে আয়োজন কৰা **জীৱন ৰক্ষা আৰু স্বাস্থ্যবান ভাৰত গঢ়া**ৰ ৰাষ্ট্ৰীয় অভিযান মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে সুস্বাস্থ্যৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰাৰ লগতে চৰকাৰে যোৱা দশকটোত সকলো নাগৰিককে স্বাস্থ্যবান কৰি ৰখাৰ বাবে গুণগত স্বাস্থ্যসেৱা প্ৰদানৰ উদ্দেশ্যে ভালেমান গুৰুত্ব ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। এই সম্পৰ্কে উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে আয়ুষ্মান ভাৰত আঁচনি, ইন্দ্ৰধনুষ অভিযান, টিবি মুক্ত ভাৰত, পি এম ৰাহতকে ধৰি বিভিন্ন চৰকাৰী পদক্ষেপৰ বিষয়ে অৱগত কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাই অন্যান্য খণ্ডৰ দৰে স্বাস্থ্যখণ্ডতো এটা বিশেষ ভূমিকা পালন কৰিছে। ভৱিষ্যতে ইয়াৰ প্ৰয়োগ বৃদ্ধি হোৱাৰ পূৰ্ণ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে তাৰ বাবে সকলো প্ৰস্তুত থাকিব বুলিও মত প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে উদ্ভাৱন আৰু নতুন নতুন প্ৰযুক্তি গ্ৰহণৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টিৰ বাবেও কাম কৰি আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰত কৃত্ৰিম বুদ্ধিমত্তা অভিযানে এ আই আধাৰিত স্বাস্থ্য সেৱাৰ বিকাশৰ বাবে ন-ন উদ্ভাৱনক সমৰ্থন জনাই আহিছে বুলিও প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰলৈ যোৱা শ্ৰীমতী মুৰ্মু কালি মুম্বাইত উপস্থিত হয়।

ৰাষ্ট্ৰপতিগৰাকীয়ে আজি শ্বেগাঁৱৰ বুলধানাত কেন্দ্ৰীয় আয়ুষ মন্ত্ৰালয়ে আয়োজন কৰা ৰাষ্ট্ৰীয় আৰোগ্য মেলা ২০২৬ত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে নাগপুৰত ব্ৰহ্মকুমাৰীয়ে আয়োজন কৰা একতা আৰু বিশ্বাসেৰে গঢ়া মহাৰাষ্ট্ৰৰ সোণালী যুগ শীৰ্ষক ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানতো ভাগ ল'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইজৰাইল অভিমুখে ৰাওনা হ'ব। প্ৰধানমন্ত্ৰীয়ে এয়া দ্বিতীয়বাৰৰ বাবে ইজৰাইল ভ্ৰমণ কৰিব। এই ভ্ৰমণসূচীৰ আৰম্ভণিতে তেওঁ দেশখনৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৰ সৈতে টেল আভিভত বিভিন্ন বিষয় লৈ আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰী দুগৰাকীয়ে ভাৰত আৰু ইজৰাইলৰ কৌশলগত সম্পৰ্কৰ প্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে উদ্ভাৱন, বিজ্ঞান আৰু প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা, কৃষি, জল ব্যৱস্থাপনা, বাণিজ্য আৰু অৰ্থনীতি আৰু উভয় ৰাষ্ট্ৰৰ জনসাধাৰণৰ মাজৰ সম্পৰ্কক ধৰি বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰিব। তেওঁলোকে পাৰস্পৰিক গুৰুত্বসম্পন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ বিভিন্ন দিশ সম্পৰ্কেও মত বিনিময় কৰিব। ইজৰাইলত থকা ভাৰতৰ ৰাষ্ট্ৰদূত জে পি সিঙে প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰীয়ে আজি ইজৰাইলৰ সংসদ কেনেচেটত ভাষণ দিব। নৰেন্দ্ৰ মোদীয়েই ইজৰাইলৰ সংসদত ভাষণ দিয়া প্ৰথমগৰাকী ভাৰতীয় নেতা হ'বও বুলি শ্ৰীসিঙে উল্লেখ কৰে। কাইলৈ প্ৰধানমন্ত্ৰীয়ে দেশখনৰ ৰাষ্ট্ৰপতি আইজাক হাৰজগক সাক্ষাৎ কৰিব। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে উমৈহতীয়া প্ৰত্যাহ্বানসমূহ সমাধান কৰাত সুযোগ সম্পৰ্কে পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভ্ৰমণৰ সময়ছোৱাত ভাৰত আৰু ইজৰাইলৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে অহা ৩১ মাৰ্চৰ ভিতৰত কৃষকৰ কল্যাণৰ বাবে ৰাজ্যসমূহলৈ অনুমোদন জনোৱা পুঁজিৰ ১০০ শতাংশই ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত কালি অসম, বিহাৰ, গুজৰাট, মধ্যপ্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰ আৰু হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ কৃষি মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন ভাৰ্চুৱেল বৈঠকত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰু কৃষি উন্নতি আঁচনিৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে সময়মতে আৰু উপযুক্তভাৱে কেন্দ্ৰীয় পুঁজিৰ ব্যৱহাৰে তৃণমূল পৰ্যায়ত কৃষকসকলক উপকৃত কৰাটো নিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে বুলি উল্লেখ কৰে। শ্ৰীচৌহানে প্ৰধানমন্ত্ৰী অন্নদাতা আয় সংৰক্ষণ অভিযানৰ জৰিয়তে কেন্দ্ৰই কৃষকসকলক আৰ্থিক সমৰ্থন আগবঢ়াইছে বুলি দোহাৰে। চলিত বৰ্ষৰ ৰবি শস্যৰ বতৰত কেইবাখনো ৰাজ্য কৃষকসকলৰ পৰা সৰিয়হ, দাইল আৰু মাহজাতীয় শস্য ব্যাপকভাৱে আহৰণৰ বাবেও কেন্দ্ৰীয় চৰকাৰৰ মূল্য সমৰ্থিত আঁচনিৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি কৃষিমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ভাৰতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত তাৎক্ষণিক, সম্পূৰ্ণ আৰু নিঃচৰ্ত যুদ্ধবিৰতি সম্পৰ্কে এখন খচৰা প্ৰস্তাৱত ভোটদানৰ পৰা বিৰত থাকে। ১০৭ খন ৰাষ্ট্ৰই এই প্ৰস্তাৱৰ সমৰ্থনত, ১২ খন ৰাষ্ট্ৰই ইয়াৰ বিৰুদ্ধে ভোটদান কৰাৰ পাছত ১৯৩ খন সদস্য ৰাষ্ট্ৰৰে গঠিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই এই প্ৰস্তাৱ গৃহীত কৰে। আনহাতে ৫১ খন ৰাষ্ট্ৰ ইউক্ৰেইনে আগবঢ়োৱা এই প্ৰস্তাৱত

ভোটদানৰ পৰা বিৰত থাকে। বাহৰেইন, বাংলাদেশ, ব্ৰাজিল, চীন, দক্ষিণ আফ্ৰিকা, শ্ৰীলংকা, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৈও ভোটদান প্ৰক্ৰিয়াত অনুপস্থিত থাকে।

ooooo

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কালি গাজিয়াবাদৰ যশোদা মেডিচিটিত কৃত্ৰিম বুদ্ধিমত্তা-সক্ষম বৈদ্যুতিক-আইচিইউ নিয়ন্ত্ৰণ কেন্দ্ৰৰ উদ্বোধন কৰে। এই পদক্ষেপে চিকিৎসাজনিত সমন্বয় বৃদ্ধি, চিকিৎসা কাৰ্যবিধিৰ প্ৰামাণিকীকৰণ, আৰু গাঁথনিগত নিৰ্দেশনাৰ জৰিয়তে চিকিৎসা গোটসমূহক সহায় কৰি জিলা চিকিৎসালয় পৰ্যায়ত জটিল চিকিৎসা সেৱাক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। নিজৰ ভাষণত শ্ৰী নাড্ডাই কয় যে কৃত্ৰিম বুদ্ধিমত্তা-সক্ষম স্বাস্থ্যসেৱাই সময়মতে হস্তক্ষেপ, ৰোগ নিৰ্ণয়ৰ ক্ষেত্ৰত নিখুঁততা, আৰু বাস্তৱ সময়ৰ নিৰীক্ষণ নিশ্চিত কৰিব যিসমূহ জৰুৰীকালীন আৰু জটিল চিকিৎসাৰ পৰিৱেশত অতি গুৰুত্বপূৰ্ণ। তেওঁ আলোকপাত কৰে যে, সমগ্ৰ দেশতে ১লাখ ৮১ হাজাৰতকৈ অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰা হৈছে আৰু ইতিমধ্যে ইয়াৰে ৰাষ্ট্ৰীয় গুণগত নিশ্চয়তা মানৰ অধীনত ৫০ হাজাৰৰো অধিক কেন্দ্ৰই স্বীকৃতি লাভ কৰিছে। শ্ৰীনাড্ডাই আৰু কয় যে, চৰকাৰে অহা দুবছৰৰ ভিতৰত সকলো আয়ুষ্মান আৰোগ্য মন্দিৰে এই গুণগত মানৰ প্ৰমাণপত্ৰ লাভ কৰাটো নিশ্চিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। তেওঁ স্বাস্থ্যসেৱাত কৃত্ৰিম বুদ্ধিমত্তাৰ নৈতিক আৰু বৈধ ব্যৱহাৰ প্ৰসাৰিত কৰাৰ লক্ষ্যৰে ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনৰ সময়ত SAHI প'ৰ্টেল আৰু BODH শীৰ্ষক মঞ্চ মুকলি কৰাৰ কথাও উল্লেখ কৰে।

ooooo

কৃত্ৰিম বুদ্ধিমত্তাই তথ্য বিশ্লেষণ বৃদ্ধি, প্ৰচলিত ধাৰা আৰু জালিয়াতিৰ বিপদৰ ভৱিষ্যদ্বাণী তথা গ্ৰাহকৰ সৈতে সংযোগ উন্নত কৰি বেংকিং বা বেংকসেৱা খণ্ডত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

শেহতীয়াকৈ দিল্লীত সমাপ্ত হোৱা ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলন ২০২৬ত কৃত্ৰিম বুদ্ধিমত্তাই ভাৰতৰ বেংকসেৱা পৰিচালন ব্যৱস্থাক কেনেদৰে দ্ৰুতগতিত ৰূপান্তৰিত কৰিছে তাক প্ৰদৰ্শন কৰি কণ্ঠভিত্তিক কৃত্ৰিম বুদ্ধিমত্তা সহায়কসকলে গ্ৰাহকৰ প্ৰশ্নৰ পৰা আৰম্ভ কৰি ভিতৰুৱা কাম-কাজলৈকে সকলো চম্ভালা, সেৱা প্ৰদানৰ সময় ৰাহি কৰা আৰু সমগ্ৰ খণ্ডতে দক্ষতা বৃদ্ধি কৰাৰ দিশবোৰত আলোকপাত কৰা হয়।

ব্লু মেচিনছ এআইৰ বিপণন মুৰব্বী অৰ্পণ খোছলাই আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত কয় যে, প্ৰতিষ্ঠানটোৱে উদ্যোগ-স্তৰৰ কণ্ঠ-ভিত্তিক কৃত্ৰিম বুদ্ধিমত্তা নিয়ন্ত্ৰণ মঞ্চ নিৰ্মাণ কৰি আছে যিবোৰ ইতিমধ্যে বেংকিং, স্বাস্থ্যসেৱা আৰু বিমান পৰিবহণকে ধৰি বিভিন্ন উদ্যোগত নিয়োজিত কৰা হৈছে।

ভাৰতৰ কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনক ভাৰতৰ কৃত্ৰিম বুদ্ধিমত্তা পৰিৱেশতন্ত্ৰৰ বাবে এক ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰি তেওঁ কয় যে, এই মঞ্চই ভাৰতক কেৱল গ্ৰাহক হিচাপেই নহয়, কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ নিৰ্মাতা হিচাপেও সুদৃঢ় স্থিতি প্ৰদান কৰিছে।

ooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত পাকিস্তানক ২ উইকেটত পৰাস্ত কৰি ইংলেণ্ড প্ৰথমটো দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। শ্ৰীলংকাৰ

পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত খেলখনত ইংলেণ্ডে ১৬৫ ৰানৰ লক্ষ্যৰে খেলি ৫টা বল বাকী থকা অৱস্থাত ৮টা উইকেটৰ বিনিময়ত বিজয় সাব্যস্ত কৰে। অধিনায়ক হেৰি ব্ৰুকে ৯১টা বলত ১০০ ৰান কৰি দলৰ জয়ত অনবদ্য বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ হৈ লিয়াম ড'ছনে ৩টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৬৪ ৰান সংগ্ৰহ কৰে। ছাহিবজাদা ফাৰহানে ৬৩ ৰান কৰাৰ বিপৰীতে শ্বাহিন আফ্ৰিদিয়ে দলটোৰ হৈ ৩টা উইকেট দখল কৰে।

আজি গ্ৰুপ-টুৰ আন এখন খেলত শ্ৰীলংকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত খেলখন আৰম্ভ হ'ব।

ooooo

সমাপ্ত